# Joint press release on the official visit of His Majesty Jigme Khesar Namgyel Wangchuck ,King of Bhutan to India from 6 -10 January 2014(Assamese Translation)

## ভূটা্নৰ ৰজা সন্মানীয় জিগমে খেচাৰ নামগয়েল ৱাংচুকৰ ৬ জানুৱাৰীৰ পৰা ১০ জানুৱাৰী ২০১৪ লৈ আনুষ্ঠানিক ভাৰত ভ্ৰমণ সন্দৰ্ভত যুটীয়া প্ৰেছ বিজ্ঞপ্তী ।

জানুৱাৰী ০৯,২০১৪

১. ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰী প্ৰণৱ মূৰ্খাজীৰ আমন্ত্ৰন ক্ৰমে ভূটানৰ মহামান্য ৰজা আৰু মহামান্যা ৰাণীয়ে ২০১৪ চনৰ জানুৱাৰী ৬ তাৰিখৰ পৰা ১০ জানুৱাৰীলৈ ভাৰতলৈ আনুষ্ঠানিক ভ্ৰণণৰ কাৰ্য্যসূচী লৈ আহে । মহামান্য ৰজা আৰু ৰাণীক তেওঁলোকৰ এই ভ্ৰমণ কালত ভূটান চৰকাৰৰ গৃহ মন্ত্ৰী লায়ওনপো ডামধো ডৰজি, বৈদেশিক পৰিক্ৰমা মন্ত্ৰী লায়ওপো ৰিনঝিন ডৰজি, অৰ্থনৈতিক পৰিক্ৰমা মন্ত্ৰী লায়ওপো নোৰবো ওৱাংচুক আৰু ৰয়েল ভূটান চৰকাৰৰ বৰিষ্ঠ বিষয়াৰ এটা প্ৰতিনিধিৰ দলে সহযোগিতা কৰে ।

২. এই ভ্ৰমণ কালত মহামান্য ৰজা–ৰাণীয়ে ভাৰতৰ ৰাষ্ট্ৰপতি শ্ৰী প্ৰণৱ মূৰ্খাজীক সাক্ষাৎ কৰে আৰু দুয়ো দেশৰ গুৰুত্ব বহন কৰা বিষয়সমূহৰ সন্দৰ্ভত বিস্তাৰ ভাৱে আলোচনা কৰে । তেওঁলোকে ৰাষ্ট্ৰপতি গৰাকীক তেওঁলোকক আমন্ত্ৰন কৰি ৰাষ্ট্ৰপতি ভৱনৰ নৱ নিৰ্মিত আথিতিশালাত অপ্যায়িত কৰাৰ বাবে ধ্ন্যবাদ জ্ঞাপন আৰু প্ৰশংসা কৰে ।মহামান্য ৰজা–ৰাণীৰ সন্মানৰ্থে ৰাষ্ট্ৰপতি গৰাকীয়ে এক নৈশ্য ভোজৰ আয়োজন কৰে ।

৩. ভাৰতৰ উপ ৰাষ্ট্ৰপতি শ্ৰী মহম্মদ হামিদ আনছাৰি ,ইউ পি এ অধ্যক্ষা শ্ৰীমতী ছোনীয়া গান্ধি,কেন্দ্ৰীয় বিত্ত মন্ত্ৰী শ্ৰী পি চিদাম্বৰম,কেন্দ্ৰীয় গৃহ মন্ত্ৰী শ্ৰী সুশীল কুমাৰ সিন্ধে,কেন্দ্ৰীয় বৈদেশিক পৰিক্ৰমা মন্ত্ৰী শ্ৰী চালমান খুৰছীদ,কেন্দ্ৰীয় বাণিজ্য আৰু ঔদ্যোগিক মন্ত্ৰী শ্ৰী আনন্দ শৰ্মা,ৰাজ্য সভাৰ বিপক্ষৰ নেতা শ্ৰী অৰুন জেটলী,ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা শ্ৰী শীৱশংকৰ মেনন আৰু বৈদেশিক সচিব শ্ৰী মতী সুজাতা সিঙে মহামান্য ভূটানৰ ৰজাক সাক্ষাৎ কৰে ।

৪. ভাৰতৰ প্ৰধান মন্ত্ৰী ড.মনমোহন সিঙৰ সৈতে মহামান্য ৰজাৰ এক বিশদ আলোচনা অনুষ্ঠিত হয় । প্ৰধান মন্ত্ৰীয়ে মহামান্য সকলৰ সন্মানাৰ্থে এক দুপৰীয়াৰ ভোজমেলৰ আয়োজন কৰে । দুয়ো গৰাকী নেতাই দ্বিপাক্ষীক সম্পৰ্কৰ বিষয় সমুহৰ সন্দৰ্ভত মতবিনিময় কৰৰৰ লগতে দুয়োদেশৰ গুৰুত্ব থকা আঞ্চলিক আৰু আন্তৰাষ্ট্ৰীয় বিষয় সমুহো তেওঁলোকে আলোচনা কৰে । মহামান্য ৰজা আৰু ভাৰতৰ প্ৰধান মন্ত্ৰীয়ে দুয়োদেশৰ উচ্চ মানৰ দ্বিপাক্ষাক সম্পৰ্কৰ বাবে অতি সন্তোষ প্ৰকাশ কৰাৰ লগত এই সম্বন্ধক আৰু অধিক শক্তিশালি কৰাৰ প্ৰতিশ্ৰুতিক পুনৰ দোহাৰে । ভাৰতে ভূটানৰ বাবে আগবঢ়োৱা সকলো ধৰনৰ অমূল্য সহযোগিতাৰ আৰু সাহায্যৰ বাবে মহামান্য ভূটানৰ ৰজাই ভূটানৰ জনসাধাৰনৰ তৰফৰ পৰা ভাৰতলৈ প্ৰশংসা আৰু কৃতজ্ঞতা আগবঢ়াই ।

৫. দুয়ো দেশৰ মাজৰ দ্বিপাক্ষীক সম্পৰ্কৰ মাজত বিলীন হৈ থকা দুয়োপক্ষৰ গভীৰ বিশ্বাস,সহযোগিতা আৰু বুজাপৰাৰ সম্বন্ধে অতি উষ্ণতাৰে আৰু বন্ধুত্ব পূৰ্ণ পৰিবেশৰ মাজত অনুষ্ঠিত বৈঠক খনে সহজে প্ৰতিফলিত

কৰিব পাৰিছে ।ভাৰতৰ প্ৰধান মন্ত্ৰী আৰু আন নেতা সকলে ভূটানৰ আৰ্থ–সামাজিক উন্নয়ন আৰু ভূটানৰ জলবিদ্যুৎ সম্পদৰ বিকাশৰ বাবে সকলো ধৰনৰ সহযোগিতা ভাৰতে আগবঢ়াব বুলি পুনৰ দোহাৰে ।

৬. মহামান্য –ভূটানৰ ৰজা–ৰাণীয়ে তেওঁলোকৰ প্ৰতি আৰু ভূটানৰ প্ৰতিনিধি সকলৰ প্ৰতি আগবঢ়োৱা উষ্ম আৰু ৰাজকীয় অতিথি পৰায়নতাৰ বাবে  চৰকাৰ আৰু ভাৰতীয় জনগনৰ প্ৰতি গভীৰ ভাৱে প্ৰশংসা কৰে ।

এই ভ্ৰমনে পৰম্পৰাগত ভাৱে নিয়মিত দুয়োদেশৰ মাজত চলি অহা উষ্চ পৰ্যায়ৰ বিনিময় আৰু দুয়োদেশৰ মাজৰ এই বিশেষ সম্বন্ধক আগলৈ শক্তিশালি কৰিব ।

নতুন দিল্লী

জানুৱাৰী ৯,২০১৪